No. of Printed Pages—4

440N (ACS)

[20-HKPGDEN–M2S(N)21J]

MA 2nd Semester (New) Exam., 2020

ASSAMESE

[PGAS–S2–04]

(অসমীয়া চুটিগল্প)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* প্রতিটো প্রশ্নৰ চমু উত্তৰ দিয়ক : 1×8=8

(i) কোনখন আলোচনীৰ পাতত অসমীয়া চুটিগল্পৰ আৰম্ভণি ঘটিছিল ?

(ii) 'আৱাহন' আলোচনীৰ পাতত 'পোহাৰী' নামৰ গল্পৰে গল্পকাৰ হিচাপে আত্মপ্রকাশ কৰা গল্পকাৰগৰাকীৰ নাম কি ?

(iii) ৰামধেনু যুগৰ অসমীয়া চুটিগল্পত প্রতিফলন ঘটা যি কোনো দুটা পাশ্চাত্য মতাদর্শ উল্লেখ কৰক।

(iv) শীলভদ্র ছদ্মনামেৰে গল্প ৰচনা কৰা গল্পকাৰগৰাকীৰ প্রকৃত নাম কি ?

(v) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মুক্তি' গল্পত উল্লেখ থকা ককায়েক-ভায়েক দুজন কোন কোন ?

(vi) কোনখন গল্প-সংকলনৰ বাবে আৰু কিমান চনত ভবেন্দ্রনাথ শইকীয়াই সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(vii) সোণ, বুঢ়ীমাক আৰু সেউতী বাই—এই তিনিটা বিশেষ চৰিত্রৰ বর্ণনা থকা আপোনাৰ পাঠ্য অন্তর্ভুক্ত গল্পটোৰ নাম কি আৰু গল্পকাৰ কোন ?

(viii) 'ভাল খবৰ'—কাৰ ৰচনা ?

(b) শুদ্ধ উত্তৰটো নির্ণয় কৰক : 1×4=4

(i) দণ্ডীনাথ কলিতাই ৰচনা কৰা একমাত্ৰ গল্পপুথিখন হৈছে

1. ৰাজিকৰ
2. সাতসৰী
3. গল্পৰ শৰাই
4. জোনবিৰি

(ii) 'ইস্মাইল শেখৰ সন্ধানত' গল্পটোৰ গল্পকাৰগৰাকীৰ নাম হৈছে

1. ৰীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য
2. মহিম বৰা
3. নিৰুপমা বৰগোহাঞি
4. হোমেন বৰগোহাঞি

(iii) মনোজ কুমাৰ গোস্বামী কোন যুগৰ গল্পকাৰ ?

1. জোনাকী যুগৰ
2. আৱাহন যুগৰ
3. ৰামধেনু যুগৰ
4. উত্তৰ ৰামধেনু যুগৰ

(iv) শৰৎচন্দ্ৰ গোস্বামীৰ 'ঘুনুচা' গল্পৰ মণিৰাম হৈছে

1. ঘুনুচাৰ স্বামী
2. ঘুনুচাৰ দেৱৰেক
3. ঘুনুচাৰ পুতেক
4. কুলগুৰু

(c) খালী ঠাঁই পূৰ কৰক : 1×4=4

(i) _____ গল্পটোৱেই হ'ল শীলভদ্ৰৰ প্ৰথম গল্প।

(ii) নিৰুপমা বৰগোহাঞিয়ে _____ উপন্যাসৰ বাবে ১৯৯৬ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল।

(iii) হৰেকৃষ্ণ ডেকাৰ 'শ্ব'ৱেংগাৰ' গল্পটোৰ ৰচনাৰ পটভূমি _____ চন।

(iv) লক্ষ্মীনাথ ফুকনৰ 'মহিমাময়ী' গল্পটো _____ শীৰ্ষক গল্প-সংকলনটিত অন্তর্ভুক্ত হৈছে।

(Continued)

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) জোনাকী যুগৰ অসমীয়া চুটিগল্পৰ যি কোনো চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

(b) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মুক্তি' গল্পটোৰ নামকৰণৰ তাৎপর্য ব্যাখ্যা কৰক।

(c) অসমীয়া গল্প-সাহিত্যৰ যুগ বিভাজনত 'উত্তৰ ৰামধেনু যুগ' বুলি কোনখিনি সময়ক কোৱা হৈছে আৰু কিয়?

(d) লক্ষ্মীনাথ ফুকনৰ গল্প-পুথিকেইখনৰ নাম কি কি?

(e) ''নগেন্দ্রনাৰায়ণ চৌধুৰীৰ গল্পৰ এটা লেখৰ বৈশিষ্ট্য হৈছে জনজাতীয় সমাজৰ চিত্রণ।'' কথাষাৰৰ সপক্ষে এটি টোকা লিখক।

(f) ভবেন্দ্রনাথ শইকীয়াৰ 'সেন্দূৰ' গল্পৰ প্রভাকৰ ৰায়চৌধুৰী চৰিত্রটিৰ বিষয়ে চমুকৈ লিখক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্রায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) বিংশ শতিকাৰ শেষৰ তিনিটা দশকত অসমৰ জাতীয় জীৱনলৈ নামি অহা সংকট আৰু অস্থিৰতাৰ ছবিখনে উত্তৰ ৰামধেনু যুগৰ চুটিগল্পক কেনেদৰে প্রভাৱিত কৰিছে বুলি আপুনি ভাবে, ব্যাখ্যা কৰক।

(b) 'মুক্তি' গল্পটোৰ প্রধান চৰিত্র সুকুমাৰৰ কৰুণ পৰিণতিৰ বাবে দায়ী কোন? বিশ্লেষণ কৰক।

(c) ''দুখীয়াৰনো আইন কানুন কি!''

'ঘুনুচা' গল্পত কি প্রসংগত উক্ত কথাষাৰৰ অৱতাৰণা কৰা হৈছে, আলোচনা কৰক।

(d) নগেন্দ্রনাৰায়ণ চৌধুৰীৰ 'টুনী' গল্পটোৰ এটা সাধাৰণ আলোচনা দাঙি ধৰক।

(e) গল্পকাৰ হিচাপে ৰমা দাশৰ গল্পৰ এটি সমালোচনামূলক আলোচনা দাঙি ধৰক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্রায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'লক্ষ্মীনাথ বেজবৰুৱা আৰু অসমীয়া চুটিগল্প'—এই বিষয়ক এটি আলোচনা যুগুত কৰক।

(b) 'আৱাহন যুগ'ৰ চুটিগল্পৰ বিভিন্ন ধাৰাসমূহ কি কি? চমুকৈ লিখক।

(c) 'সেন্দূৰ' গল্পৰ আধাৰত ভবেন্দ্রনাথ শইকীয়াৰ চুটিগল্প সম্পর্কে এটি সমালোচনাত্মক আলোচনা দাঙি ধৰক।

(d) সমসাময়িক সময়ত হৰেকৃষ্ণ ডেকাৰ 'শ্ব'ৰেংগাৰ' গল্পটোৰ গুৰুত্ব মূল্যাংকন কৰক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) '' 'আৱাহন'ত বিকাশ লাভ কৰা চুটিগল্পই ৰামধেনু যুগত পৰিপূৰ্ণতা লাভ কৰিলে।'' এই কথাষাৰৰ ভেঁটিত 'ৰামধেনু যুগৰ অসমীয়া চুটিগল্প' সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়াওক।

(b) 'ঢেঁকীৰ সৰগ' গল্পটোৰ জৰিয়তে নিৰুপমা ৰৰগোহাঞিৰ নাৰীবাদী ভাবধাৰা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰক।

(c) অসমীয়া গল্প-সাহিত্যত শীলভদ্ৰৰ স্থান বিচাৰ কৰি এখন ৰচনা লিখক।

(d) 'বীণা-কুটিৰ' গল্পটোৰ বিষয়বস্তুৰ আধাৰত সৌৰভ কুমাৰ চলিহাৰ গল্পৰ বৈশিষ্ট্যসমূহৰ বিষয়ে ব্যাখ্যা কৰক।

★★★